# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-July-2026
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। যোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা অনুষ্ঠিত। বিধায়ক ড০ হাবে টেৰণক উপাধ্যক্ষ নিৰ্বাচিত।

২। সদনত ধেমাজিৰ বান আৰু গৰাখহনীয়া সন্দৰ্ভত বিধায়ক ভূবন পেগুৰ আলোকপাত।

৩। গোলাঘাটত আজি বিশ্ব জুন'ছিছ দিৱস উপলক্ষে পশুৰ পৰা মানুহলৈ সংক্ৰমিত হোৱা ৰোগসমূহৰ ক্ষেত্ৰত সজাগতা সভা।

**আৰু**

৪। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা চাৰে ১২ বজাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ খেলত স্পেইন আৰু পৰ্টুগাল মুখামুখি।

০০০০০০

যোড়শ অসম বিধানসভাৰ বাজেট অধিৱেশন আজিৰে পৰা অনুষ্ঠিত হৈছে। পুৱা চাৰে ৯ বজাত প্ৰশ্নোত্তৰ কালেৰে সদনৰ কাৰ্যক্ৰমণিকা আৰম্ভ হয়। এই ২১ দিনীয়া অধিৱেশনত মুঠ ১৬ খন বৈঠক অনুষ্ঠিত হ'ব। বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ১০ জুলাইত ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন পূৰ্ণাংগ বাজেট উত্থাপন কৰিব। অহা ৩১ জুলাইত বাজেট অধিৱেশনৰ অন্ত পৰিব।

ৰাজ্যত অনিয়মীয়া বিদ্যুৎ যোগান, চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস, বিদেশী চিনাক্তকৰণৰ নামত স্বদেশী লোকক হাৰাশাস্তি কৰাকে ধৰি বিষয়সমূহক লৈ সভা স্থগিত প্ৰস্তাৱ উত্থাপনেৰে সদনত আলোচনা বিচাৰি ব্যৰ্থ হোৱাত আজি বিধানসভা অধিৱেশনৰ প্ৰথম দিনাই বিৰোধীয়ে প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি কৰে। আজি অধিৱেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ পাছতে সদনত কংগ্ৰেছে প্ৰচণ্ড গৰমৰ মাজত ৰাজ্যজুৰি সঘনাই বিদ্যুৎ কৰ্তন হোৱা বিষয়ত আলোচনা কৰাটো বিচাৰে। আনহাতে ৰাজ্যত ক্ৰমাগতভাৱে চৰকাৰী বিদ্যালয়সমূহ বন্ধ কৰি দিয়াৰ বিষয়ত সদনত ৰাইজৰ দলে আলোচনা বিচাৰে। এ আই ইউ ডি এফেও বিদেশী চিনাক্তকৰণৰ নামত স্বদেশী লোকক হাৰাশাস্তি কৰাৰ বিৰুদ্ধে সৰৱ হয় আৰু এই বিষয়ত সদনত আলোচনা বিচাৰে। তিনিওটা দলে এইবোৰ বিষয়ত সভাস্থগিত প্ৰস্তাৱ আনিবলৈ বিচাৰে। কিন্তু অধ্যক্ষই এই কেইটা বিষয়ৰ আলোচনা পিছে পৰেও কৰা হ'ব বুলি উল্লেখ কৰি সভা স্থগিত প্ৰস্তাৱৰ অনুমতি নিদিয়াত তিনিওটা দলে সদন ত্যাগ কৰি ওলাই আহি বাহিৰত প্ৰতিবাদমুখৰ হৈ পৰে।

আজি সদনত নৱগঠিত আমৰি সমষ্টিৰ বিধায়ক ড০ হাবে টেৰণক উপাধ্যক্ষ হিচাপে নিৰ্বাচন কৰা হয়। বিজেপি, অসম গণ পৰিষদ আৰু বিপিএফ দলে ড০ টেৰণক উপাধ্যক্ষ নিৰ্বাচনৰ বাবে তিনিখন মনোনয়ন দাখিল কৰিছিল। বিৰোধী পক্ষই মনোনয়ন দাখিল নকৰাত তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে উপাধ্যক্ষ নিৰ্বাচিত হয়।

সদনত আজি কেইবাখনো প্ৰতিবেদন দাখিল কৰা হয়। ইয়াৰ লগতে অসম বিধানসভাৰ সদস্যৰ প্ৰয়োজনীয় অৰ্হতাহীনতা দূৰীকৰণ সংশোধনী অধ্যাদেশ সন্দৰ্ভত সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই বিবৃতি প্ৰদান কৰে।

ইয়াৰ পাছতে এই বিষয়টো সন্দৰ্ভত এখন বিধেয়ক তথা অসম সামগ্ৰী আৰু সেৱা কৰ সংশোধনী বিধেয়ক সদনত উত্থাপন কৰা হয়।

০০০০০

ধেমাজি জিলাত হোৱা শেহতীয়া বান আৰু গৰাখহনীয়াৰ ফলত হোৱা ক্ষতি সন্দৰ্ভত বিস্তৃত তথ্য দাঙি ধৰি আজি জোনাই সমষ্টিৰ বিধায়ক ভূবন পেগুৱে সদনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে। জোনাইৰ দিখাৰী, চিমেন, ছিলে আদি পাহাৰীয়া নৈৰ ভয়ংকৰ বানত ক্ষতি হোৱা জিলাখনৰ ভালেসংখ্যক গাঁৱৰ পৰিৱেশ স্বাভাৱিক হোৱা নাই বুলি বিধায়ক শ্ৰী পেগুৱে উল্লেখ কৰে।

ইফালে, বান আৰু গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা, বিজ্ঞান সন্মত পদ্ধতিৰে বান আৰু গৰাখনীয়া সমস্যাৰ স্থায়ী সমাধান নিশ্চিত কৰা, শেহতীয়া বান গৰাখহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলক ক্ষতিপূৰণ দিয়াৰ উদ্দেশ্যে আজি ধেমাজি জিলাৰ জোনাইত জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। এই সন্দৰ্ভত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ বয়য়ববীয়া জ্ঞান শৰ্মাই এইদৰে কয়-

(বাইট)

এই ধৰ্মঘট কাৰ্যসূচীৰ অন্তত সংগঠনটোৰ কৰ্মীসকলে কেইবাটাও দাবী সম্বলিত এখন স্মাৰক পত্ৰ জোনাই সম-জিলা আয়ুক্তৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰীলৈ পৃথকে পৃথকে প্ৰেৰণ কৰে।

০০০০০

গোলাঘাটত আজি বিশ্ব জুন’ছিছ দিৱস পালন কৰা হয়। এই দিৱস উপলক্ষে জিলা স্বাস্থ্য বিভাগে শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ বহিঃবিভাগত এটা সজাগতা কাৰ্যসূচীৰ আয়োজন কৰে। এই কাৰ্যসূচীৰ জৰিয়তে চিকিৎসা গ্ৰহণ কৰিবলৈ অহা ৰোগীক, ৰোগীৰ আত্মীয়-অভিভাৱক তথা সাধাৰণ ৰাইজৰ মাজত জুন’ছিছ্ অৰ্থাৎ পশুৰ পৰা মানুহলৈ সংক্ৰমিত হোৱা ৰোগসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰা হয়। এই উপলক্ষে জিলা মহামাৰী বিশেষজ্ঞ, জিলা মিডিয়া বিশেষজ্ঞ আৰু অণুজীৱ বিজ্ঞানীয়ে ৰাইজক ৰেবিজ, বাৰ্ডফ্লু, ছোৱাইনফ্লু, লেপ্ট’স্পাইৰ’ছিছ, জাপানীজ এনকেফেলাইটিছ আদি বিভিন্ন জুন’ছিছ ৰোগৰ বিষয়ে অৱগত কৰে। এনে ৰোগৰ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণৰ বাবে স্বাস্থ্য বিভাগৰ সৈতে সহযোগিতা কৰাৰ আহ্বান জনায়। লগতে স্বাস্থ্যকৰ জীৱন-যাপন, ব্যক্তিগত পৰিষ্কাৰ-পৰিচ্ছন্নতা, পোহনীয়া জন্তুৰ নিয়মীয়া টীকাকৰণ, চাফচিকুনকৈ ৰখা, নিৰাপদ খাদ্য গ্ৰহণ, হাত ধোৱাৰ অভ্যাস আৰু পশুৰ সৈতে ব্যৱহাৰৰ সময়ত প্ৰয়োজনীয় সাৱধানতা অৱলম্বনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। জিলা চিকিৎসালয়ৰ উপৰি জিলাখনৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰতো আজি বিশ্ব জুন’ছিছ দিৱস পালন কৰা হয়।

০০০০০

অসম-নাগালেণ্ড সীমান্তৱৰ্তী গোলাঘাট জিলাৰ মেৰাপানীৰ সৰুপানী অঞ্চলত আজি নাগালেণ্ড প্ৰশাসনৰ লোকে ৩০০টা পৰিয়ালৰ পিয়ল কৰা কাৰ্যক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় লোকে দাবী কৰা মতে অসমৰ ভুখণ্ডত নাগালেণ্ড প্ৰশাসনে চলোৱা এই কাৰ্যত অঞ্চলটোৰ আবাসীসকলৰ মাজত অসন্তোষ পৰিলক্ষিত হয়। আনহাতে, পিয়ল কৰিবলৈ অহা লোকসকলে স্থানীয় লোকসকলক নাগালেণ্ডৰ ফালৰ পৰা বিদ্যুৎ যোগানসহ বিভিন্ন সা-সুবিধা প্ৰদান কৰা হ’ব বুলি অৱগত কৰাৰ কথা জানিব পৰা গৈছে। ঘটনাক কেন্দ্ৰ কৰি স্থানীয় ৰাইজে উপযুক্ত তদন্ত আৰু চৰকাৰৰ হস্তক্ষেপ দাবী কৰিছে। নাগালেণ্ডৰ তৰফৰ পৰা কৰা পিয়ল সন্দৰ্ভত স্থানীয় আবাসীয়ে এইদৰে কয়-

বাইট

ইপিনে, অসম-নাগালেণ্ড সীমা সমস্যাক লৈ আজি গোলাঘাট জিলাৰ সৰুপথাৰত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। সৰুপথাৰ সমজিলা আয়ুক্তৰ কাৰ্যালয় চৌহদত চুতীয়া ছাত্ৰ সন্থাসহ পাঁচটা সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰে। সীমান্তত নগাৰ আগ্ৰাসন ৰোধ কৰাৰ দাবীত চুতিয়া ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ পৰা সৰুপথাৰ সমজিলা কাৰ্যালয়লৈ হাতে

হাতে প্লে কাৰ্ড লৈ প্ৰতিবাদী সমদল উলিওৱা হয়। প্ৰতিবাদকাৰীসকলে সীমান্তবাসীৰ জীৱন তথা সম্পত্তি নিৰাপত্তা নিশ্চিত কৰাত জিলা প্ৰশাসন ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপন কৰি এই সমস্যা শীঘ্ৰেই সমাধান কৰাৰ দাবী জনায়।

ooooo

ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত চাংমাই গাঁৱৰ পৰা আলফাৰ সৈতে সম্পৰ্ক থকাৰ অপৰাধত আজি টিংখাং আৰক্ষীয়ে মনদীপ চাংমাই নামৰ এজন লোকক জে'ল হাজোতলৈ প্ৰেৰণ কৰে। ইয়াৰ পূৰ্বে আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি যুৱকজনক আটক কৰাৰ পাছত তদন্ত কৰে। তদন্ত প্ৰক্ৰিয়াৰ অন্তত ভাৰতীয় ন্যায় সংহিতাৰ কেইবাটাও ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰি যুৱকজনক ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়।

ooooo

ৰাজ্যৰ বন বিভাগে কাইলৈ বন সপ্তাহৰ সামৰণি উপলক্ষে প্ৰতিটো বিধানসভা সমষ্টিত **জন্মদিন শপত উদ্যান** শীৰ্ষক একোখনকৈ উদ্যান নিৰ্মাণৰ শুভাৰম্ভ কৰিব। ডিমৰিয়া সমষ্টিতো কাইলৈ এই উদ্যান নিৰ্মাণৰ শুভাৰম্ভ কৰা হ'ব। বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি অসম বিধানসভাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বন বিভাগে চোৱাচিতা কৰিবলগীয়া এই উদ্যানখনত সমষ্টিৰ যিকোনো ব্যক্তিয়ে নিজৰ জন্মদিন উপলক্ষে একোটা গছপুলি ৰোপণ কৰিব পাৰিব। বিধানসভাত বিধায়ক মৃণাল শইকীয়াৰ প্ৰশ্নৰ উত্তৰত বন মন্ত্ৰীগৰাকীয়ে মানস ৰাষ্ট্ৰীয় উদ্যানত সেউজ ভূমি সংৰক্ষণ সন্দৰ্ভত প্ৰকাশ কৰে। উদ্যানখনৰ অপতৃণ আঁতৰ কৰাৰ নামত সেউজভূমি হ্ৰাস পাইছে নেকি বুলি বিধায়ক গৰাকীৰ প্ৰশ্ন উত্তৰত বন মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে। তদুপৰি উদ্যানখনলৈ পৰ্যটকৰ আগমন বৃদ্ধিৰ বাবে ব্যৱস্থা লোৱা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

ooooo

যোৰহাট জিলাৰ তিতাবৰৰ নআলি তিনি আলিত সংঘটিত এটা পথ দুৰ্ঘটনাত তিতাবৰ জালুকনিৰ চাউলকৰা গাঁৱৰ ভোগেশ্বৰী বুঢ়াগোহাঁই নামৰ এগৰাকী মহিলাৰ মৃত্যু হয়। গাড়ীৰ পৰা নামি ৰাস্তা পাৰ হ'ব লওঁতেই পিছফালৰ পৰা অহা এখন মটৰচাইকেলৰ খুন্দাত মহিলাগৰাকীৰ মৃত্যু হয়। পাছত আৰক্ষীয়ে মটৰচাকেল আৰোহী যুৱক অশোক ঠাকুৰক আটক কৰে।

ooooo

পাঁচবাৰৰ চেম্পিয়ন ব্ৰাজিলে অপ্ৰত্যাশিতভাৱে ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে। যোৱা নিশা নৰৱেৰ বিৰুদ্ধে খেলা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ২-১ গ'লৰ ব্যৱধানত ব্ৰাজিল পৰাস্ত হয়। এই জয়ৰ জৰিয়তে নৰৱে বিশ্বকাপৰ ইতিহাসত প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। নৰৱেৰ বিৰুদ্ধে পৰাজয়ৰ পাছতে ব্ৰাজিলৰ তাৰকা খেলুৱৈ নেইমাৰ জুনিয়ৰে আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ পৰা অৱসৰ ঘোষণা কৰে।

আজি পুৱা অনুষ্ঠিত প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ আন এখন খেলত ইংলেণ্ডে মেক্সিকোক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

প্ৰতিযোগিতাৰ আজি নিশা চাৰে ১২ বজাত প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ খেলত স্পেইন আৰু পৰ্টুগাল মুখামুখি হ'ব। আনহাতে কাইলৈ পুৱা চাৰে ৫ বজাত আমেৰিকা যুক্তৰাষ্ট্ৰ বেলজিয়ামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত